# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 12-05-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনাৰ দ্বিতীয় দিনাও আজি বিভিন্ন জিলাত বিজেপি আৰু ইয়াৰ সহযোগী দলসমূহে শক্তিশালী অগ্ৰগতি লাভ কৰিছে। আমাৰ সংবাদদাতাসকলে জনোৱা মতে ভোটগণনাৰ শেহতীয়া তথ্য অনুসৰি কেইবাখনো জিলাত ঘোষণা কৰা ফলাফল অনুযায়ী বিজেপিয়ে সংখ্যাগৰিষ্ঠতা লাভ কৰিছে।

বঙাইগাঁও জিলাৰ মুঠ ৬৫ খন আঞ্চলিক পঞ্চায়ত আৰু ১২ খন জিলা পৰিষদত বিজেপি আৰু ইয়াৰ মিত্ৰজোঁটে গৰিষ্ঠ সংখ্যক আসন দখল কৰিছে। জিলা পৰিষদৰ ৪ খন আসনত বিজেপিয়ে আৰু ৪ খনত অগপই জয়লাভ কৰিছে। এখন আসন কংগ্ৰেছে দখল কৰাৰ বিপৰীতে ৩ খন আসনত নিৰ্দলীয় প্ৰাৰ্থীয়ে জয়লাভ কৰিছে। আঞ্চলিক পঞ্চায়তসমূহৰ ভিতৰত ১৯ খনত অগপ আৰু ১৫ খনত বিজেপিয়ে জয়লাভ কৰিছে। অন্য ১৫ খন আসনত কংগ্ৰেছে জয়লাভ কৰাৰ বিপৰীতে ৯ খনত নিৰ্দলীয় প্ৰাৰ্থীয়ে বিজয় সাব্যস্ত কৰিছে। ৰাইজৰ দলে দুখন আসন নিজৰ হাতত ৰাখিবলৈ সমৰ্থ হোৱাৰ বিপৰীতে ৫ খনত এ আই ইউ ডি এফে জয়লাভ কৰিছে।

যোৰহাট বিধানসভা সমষ্টিত ১৬ খন জিলা পৰিষদৰ আটাইকেইখনতে বিজেপি মিত্ৰজোঁটে জয়লাভ কৰিছে। সমষ্টিটোৰ ৮৬ খন আঞ্চলিক পঞ্চায়তৰ ৮৩ খনত বিজেপি প্ৰাৰ্থী বিজয়ী হৈছে।

কামৰূপ জিলাৰ মুঠ ২৪ খন জিলা পৰিষদৰ আসনৰ ২২ খনত বিজেপিয়ে জয়লাভ কৰিছে। এখন আসনত কংগ্ৰেছে জয়লাভ কৰাৰ বিপৰীতে অন্য এখন আসন এ আই ইউ ডি এফে দখল কৰিবলৈ সমৰ্থ হৈছে। আনহাতে জিলাখনৰ ১১৯ খন আঞ্চলিক পঞ্চায়তৰ ৮৫ খনত বিজেপি মিত্ৰজোঁটে জয়লাভ কৰিছে। বিৰোধী দল কংগ্ৰেছে ২৩ খন আসনহে দখল কৰিবলৈ সমৰ্থ হৈছে।

দক্ষিণ শালমাৰা মানকাচৰ জিলাত কালাপানী আৰু কাকৰীপাৰা জিলা পৰিষদত কংগ্ৰেছে জয়লাভ কৰিছে। ৩৫ খন আঞ্চলিক পঞ্চায়তৰ ভিতৰত ১৬ খনত কংগ্ৰেছে জয়লাভ কৰাটো সুনিশ্চিত হৈছে। অপেক্ষাকৃতভাৱে জিলাখনত বিজেপি মিত্ৰজোঁটৰ প্ৰদৰ্শন দুৰ্বল। অগপৰ দখলত ৫ খন আসন থকাৰ বিপৰীতে বিজেপিয়ে কেৱল এখন আসনহে দখল কৰিবলৈ সমৰ্থ হৈছে।

বজালী জিলাত ৫ খন জিলা পৰিষদত বিজেপি মিত্ৰজোঁটে সংখ্যা গৰিষ্ঠতা লাভ কৰিছে। এখন আসনত নিৰ্দলীয় প্ৰাৰ্থীয়ে বিজয় সাব্যস্ত কৰিছে। জিলাখনৰ ২৭ খন আঞ্চলিক পঞ্চায়তৰ ২১ খনতে বিজেপি মিত্ৰজোঁটে বিজয় সাব্যস্ত কৰিছে। জিলাখনত ভোটগণনা শান্তিপূৰ্ণভাৱে সমাপ্ত হৈছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

ধেমাজি জিলাটো আটাইকেইখন জিলা পৰিষদ সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে জয়লাভ কৰাটো নিশ্চিত হৈছে।

শোণিতপুৰ জিলাত ৮৮ খন আঞ্চলিক পঞ্চায়তৰ ৭৮ খনত বিজেপিয়ে আৰু দুখনত অগপই জয়লাভ কৰিছে। কংগ্ৰেছে ৬ খন আসনহে দখল কৰিবলৈ সমৰ্থ হৈছে। জিলাখনৰ ২০ খন পৰিষদীয় আসনতে বিজেপিয়ে জয়লাভ কৰিছে।

**শিৱসাগৰ** জিলাৰ ৩টা বিধানসভা সমষ্টিৰ ১২ খন জিলা পৰিষদৰ ৬ খন আসনত বিজেপিয়ে জয়লাভ কৰিছে। বাকী ৬ খন আসনৰ ৫ খনত দলটোৱে অগ্ৰগতি লাভ কৰিছে। খেলুৱা জিলা পৰিষদত অসম গণ পৰিষদ দলৰ প্ৰাৰ্থী আগবাঢ়ি আছে। শিৱসাগৰ বিধানসভা সমষ্টিৰ ২৭ খন আঞ্চলিক পঞ্চায়তৰ ঘোষিত ফলাফলতো বিজেপি আগুৱাই আছে। দলটোৱে ২৩ খন আসনত জয়লাভ কৰাৰ বিপৰীতে অগপই ৩ খন আৰু কংগ্ৰেছে এখন আসনত জয়লাভ কৰিছে। নাজিৰা বিধানসভা সমষ্টিত বিজেপিয়ে ১৯ খন আঞ্চলিক পঞ্চায়তত জয়লাভ কৰিছে। সমষ্টিটোত অগপই এখন আৰু কংগ্ৰেছে এখন আসনত জয়লাভ কৰিছে। শিৱসাগৰ জিলাৰ ডিমৌ বিধানসভা সমষ্টিত ২৮ খন আঞ্চলিক পঞ্চায়তৰ ঘোষিত ফলাফলত বিজেপিয়ে ১৯ খন আৰু ৰাইজৰ দলে এখন আসন লাভ কৰিছে।

চৰাইদেউ জিলাত ৮ খন জিলা পৰিষদৰ আটাইকেইখনতে বিজেপি জয়ী হৈছে। আঞ্চলিক পঞ্চায়তৰ ৩৬ খন আসনত বিজেপিয়ে ৩২ খন আৰু অগপই ৪ খন আসনত জয়লাভ কৰিছে। একেদৰে অন্যান্য জিলাসমূহতো পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা চলি আছে।

ooooo

সমৰ্থ প'ৰ্টেলৰ জৰিয়তে শিক্ষাৰ্থীসকলে আজিৰে পৰা চলিত ২০২৫-২৬ বৰ্ষত স্নাতক পাঠ্যক্ৰমত নিজৰ নাম পঞ্জীয়ন প্ৰক্ৰিয়া আৰম্ভ হৈছে। ৰাজ্যৰ শিক্ষা বিভাগে জাৰি কৰা নিৰ্দেশনা অনুসৰি অনা উমৈহতীয়া বিশ্ববিদ্যালয় বাছনি পৰীক্ষা অৰ্থাৎ ন'ন চি ইউ ই টিৰ প্ৰাৰ্থীসকলৰ ক্ষেত্ৰত আজিৰ পৰা ২২ মে'লৈকে আবেদনকাৰীৰ দ্বাৰা পাঠ্যক্ৰম নিৰ্বাচন আৰু শিক্ষানুষ্ঠানৰ দ্বাৰা আবেদনসমূহৰ পৰীক্ষণ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ২৯ মে'ৰ পৰা ১ জুনৰ ভিতৰত প্ৰথমখন মেধা তালিকা প্ৰস্তুত কৰি চূড়ান্ত কৰাৰ লগতে ২ জুনত প্ৰথম মেধা তালিকা প্ৰকাশ পাব। ৪ জুন আৰু ৫ জুনত প্ৰথম মেধা তালিকাত অন্তৰ্ভুক্ত ছাত্ৰ-ছাত্ৰীসকলৰ নামভৰ্তিৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ৭ জুনত দ্বিতীয়খন মেধা তালিকা প্ৰকাশ পাব। ৯ জুন আৰু ১০ জুনত তালিকাখনত অন্তৰ্ভুক্ত হোৱা শিক্ষাৰ্থীসকলৰ নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব। ১১ জুনৰ পৰা ১৪ জুনলৈকে পোনপটীয়া নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব। অহা ১ আগষ্টৰ পৰা প্ৰথম ষান্মাষিকৰ শ্ৰেণীসমূহ আৰম্ভ হ'ব। উমৈহতীয়া বিশ্ববিদ্যালয় বাছনি পৰীক্ষা অৰ্থাৎ চি ইউ ই টিৰ জৰিয়তে নিৰ্বাচিত প্ৰাৰ্থীসকলৰ নামভৰ্তি প্ৰক্ৰিয়া ৫ জুলাইৰ পৰা আৰম্ভ হ'ব।

ooooo

বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে বিশেষকৈ দক্ষিণ-পূব এছিয়া আৰু অসমতো আজি বুদ্ধ পূৰ্ণিমা উদযাপন কৰা হৈছে। গৌতম বুদ্ধৰ জন্মৰ দিনটোৰ লগতে বুদ্ধগয়াত মহাবোধি বৃক্ষৰ তলত তেওঁ পৰিনিৰ্বাণ লাভ কৰা দিন উপলক্ষে আজি বুদ্ধ পূৰ্ণিমা পালন কৰা হয়। সমগ্ৰ বিশ্বৰ বৌদ্ধ আৰু হিন্দু ধৰ্মাৱলম্বী লোকসকলে এই দিনটো উদযাপন কৰাৰ লগতে ভাৰত ,

নেপাল, ভূটান, বাৰ্মা, থাইলেণ্ড, তিব্বত, কোৰিয়া, লাওছ, ভিয়েটনাম, মংগোলিয়া, কম্বোডিয়া, ছিংগাপুৰ,  ইণ্ডোনেছিয়া আৰু শ্ৰীলংকাৰ দৰে দেশসমূহত মহা আড়ম্বৰেৰে এই দিৱস উদযাপন কৰা হয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গৌতম বুদ্ধৰ সমূহ অনুগামীলৈ বুদ্ধ পূৰ্ণিমাৰ শুভেচ্ছা জ্ঞাপন কৰিছে। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখৰেও আটাইলৈ বুদ্ধ পূৰ্ণিমাৰ শুভেচ্ছা জনাইছে । ভগৱান বুদ্ধৰ অহিংসা তথা দয়াৰ বাৰ্তা আজিৰ সময়ত সমাজ তথা মানৱতাৰ বাবে পূৰ্বতকৈ অধিক প্ৰাসংগিক বুলি তেওঁ মত প্ৰকাশ কৰে।

ooooo

সমাপ্ত